**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-DEC-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। ভাৰত-বাংলাদেশৰ দ্বিপাক্ষিক সম্পৰ্কৰ অৱনতিৰ পৰিপ্ৰেক্ষিতত ঢাকাৰ যমুনাত থকা ভিছা কাৰ্যালয় অনিৰ্দিষ্টকাললৈ বন্ধ ঘোষণা। অসমৰ সীমান্তৱৰ্তী অঞ্চলত বিশেষ সতৰ্কতা জাৰি।

২। অসমত ৫ বছৰত পথ দুৰ্ঘটনাত নিহত লোকৰ হাৰ ২৭ দশমিক ৪-৬ শতাংশ বৃদ্ধি।

৩। কৃষকৰ পৰা ১০ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰাৰ বাবে ৰাজ্য চৰকাৰৰ সিদ্ধান্ত।

৪। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ গুৱাহাটীৰ বৰাগাঁৱৰ ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন।

**আৰু**

৫। ঘন কুঁৱলীৰ বাবে ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল পৰিত্যক্ত ঘোষণা।

oooooo

ভাৰত-বাংলাদেশৰ দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষেত্ৰত শেহতীয়াকৈ সৃষ্টি হোৱা উদ্বেগৰ পৰিপ্ৰেক্ষিতত অসমৰো বাংলাদেশ সীমান্তৱৰ্তী অঞ্চলসমূহত বিশেষ সতৰ্কতা জাৰি কৰা হৈছে। প্ৰতিবেশী ৰাষ্ট্ৰখনত শেহতীয়াকৈ মৌলবাদী শক্তিৰ উত্থানৰ ফলত দুয়োদেশৰ পাৰস্পৰিক সম্পৰ্কৰ কিছু অৱনতি ঘটিছে। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰে কালি দিল্লীত থকা বাংলাদেশৰ উচ্চায়ুক্ত ৰিয়াজ হামিদুল্লাক আলোচনাৰ বাবে তলব কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে শেহতীয়াকৈ বাংলাদেশত এখন প্ৰতিবাদী সভাত বাংলাদেশৰ অন্তৱৰ্তীকালীন চৰকাৰৰ ঘনিষ্ঠ এজন ৰাজনৈতিক নেতাই ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলক বিচ্ছিন্ন কৰাৰ ভাবুকি দিয়াৰ পাছতে দেশখনৰ উচ্চায়ুক্তক তলব কৰা হয়। মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে ভাৰতৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি সৃষ্টিকাৰী কেতবোৰ বিষয়ত বাংলাদেশৰ উচ্চায়ুক্তগৰাকীৰ দৃষ্টি আকৰ্ষণ কৰোৱা হয়। কেন্দ্ৰীয় চৰকাৰে বাংলাদেশত ভাৰত বিৰোধী কাৰ্যকলাপ নীৰৱ দৰ্শক হৈ সহ্য নকৰে বুলিও উচ্চায়ুক্তগৰাকীক স্পষ্ট কৰি দিয়ে। কালি বাংলাদেশৰ ঢাকাত থকা ভাৰতীয় উচ্চায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত একাংশ দুষ্কৃতিকাৰীয়ে ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰাৰ পৰিপ্ৰেক্ষিতত উচ্চায়োগৰ নিৰাপত্তা ব্যৱস্থাও শক্তিশালী কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে দেশখনৰ যমুনাত থকা ভাৰতীয় ভিছা কাৰ্যালয় অনিৰ্দিষ্ট কাৰ্যালয়ৰ বাবে বন্ধ কৰাৰ কথা ঘোষণা কৰিছে। উল্লেখযোগ্য যে ১৬ ডিচেম্বৰত ১৯৭১ চনৰ বাংলাদেশ মুক্তি যুদ্ধৰ বিজয় উৎসৱ উদযাপনৰ পাছতে ভাৰতে প্ৰতিবেশী ৰাষ্ট্ৰখনৰ কেতবোৰ কূটাঘাতকাৰী শক্তিৰ কাম-কাজৰ প্ৰতি লক্ষ্য ৰাখি এই কূটনৈতিক পদক্ষেপ গ্ৰহণ কৰে।

ইপিনে, কাছাৰ জিলা প্ৰশাসনে জনসাধাৰণৰ সুৰক্ষা আৰু আইন-শৃংখলা বৰ্তাই ৰখাৰ উদ্দেশ্যে জিলাখনৰ ভাৰত-বাংলাদেশ সীমান্ত অঞ্চলত ততালিকে কাৰ্যকৰী হোৱাকৈ কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। জিলাখনৰ আয়ুক্ত মৃদুল যাদৱে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত এই নিৰ্দেশ জাৰি কৰিছে। দুমাহলৈ বলৱৎ হ'বলগীয়া এই নিৰ্দেশ অনুসৰি সীমান্তৰ ১ কিলোমিটাৰ এলেকাত সূৰ্যাস্তৰ পৰা সূৰ্যোদয়লৈকে জনসাধাৰণৰ আহ-যাহ নিষিদ্ধ কৰা হৈছে। ইয়াৰ উপৰি বৰাক নদীৰ জলপথ আৰু নৈপৰীয়া অঞ্চলসমূহত নাও চলাচল, যাতায়ত আৰু মাছ ধৰাৰ ক্ষেত্ৰত কেতবোৰ বাধা-নিষেধ আৰোপ কৰা হৈছে। একেদৰে সীমামূৰীয়া পাঁচ কিলোমিটাৰ এলেকাত নিশাৰ

ভাগত চেনি, চাউল, ঘেঁহু আৰু খোৱা তেলকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰী পৰিবহণতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অৱশ্যে চৰকাৰী কামত নিয়োজিত কৰ্মচাৰীসকলক এই নিষেধাজ্ঞাৰ আওতাৰ পৰা বাহিৰত ৰখা হৈছে।

০০০০০০

অসমত যোৱা ৫ বছৰত পথ দুৰ্ঘটনাত নিহত লোকৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। এই সময়ছোৱাত ৰাজ্যখনত ১৫ হাজাৰ ৩০৬ জন লোকৰ পথ দুৰ্ঘটনাত মৃত্যু হৈছে। ৰাজ্যসভাত কালি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে এই তথ্য প্ৰকাশ কৰিছে। কংগ্ৰেছ সাংসদ দিগ্বিজয় সিং আৰু ৰঞ্জিত ৰঞ্জনে উত্থাপন কৰা এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, যে দেশত তুলনামূলকভাৱে পথ দুৰ্ঘটনাত মৃত্যুৰ হাৰ হ্ৰাস পাইছে। কিন্তু লক্ষণীয়ভাৱে বিগত ৫ বছৰত অসমত পথ দুৰ্ঘটনাত মৃত্যুৰ হাৰ ২৭ দশমিক ৪-৬ শতাংশ বৃদ্ধি পাইছে। সদনত দাখিল কৰা তথ্যমতে ২০১৮ চনত দেশৰ প্ৰতি ১০ হাজাৰ গাড়ীৰ বিপৰীতে পথ দুৰ্ঘটনাত মৃত্যুৰ হাৰ আছিল ৫ দশমিক ৮ শতাংশ। ২০২২ চনত এই হাৰ ৪ দশমিক ৩ শতাংশলৈ হ্ৰাস পায়। একেদৰে প্ৰতি ১০ হাজাৰ কিলোমিটাৰ পথত ২০১৮ চনত গড় হিচাপে ২৫৪ জন লোকৰ মৃত্যু হৈছিল। কিন্তু ২০২২ চনত এই হাৰ ২৫০ লৈ হ্ৰাস পায়। আনহাতে অসম সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰদান কৰা তথ্য অনুসৰি ২০২০ চনত ৰাজ্যত ২ হাজাৰ ৬২৯ জন লোকৰ পথ দুৰ্ঘটনাত মৃত্যু হৈছে। ২০২৪ চনত এই সংখ্যা ৩ হাজাৰ ৩৫১ লৈ বৃদ্ধি পায়। একেদৰে ২০২১ চনত ৩ হাজাৰ ৩৬ জন, ২০২২ জন ২ হাজাৰ ৯৯৪ জন আৰু ২০২৩ চনত ৩ হাজাৰ ২৯৬ জন লোকৰ পথ দুৰ্ঘটনাত মৃত্যু হৈছিল। মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে দেশৰ মুঠ এক লাখ ৭৮ হাজাৰ ২৯৩ কিলোমিটাৰ পথত সমীক্ষা চলাই লাভ কৰা দুৰ্ঘটনাপ্ৰৱণ ১২ হাজাৰ ২৮৯টা স্থানৰ স্বল্পম্যাদী সংস্কাৰ কৰা হৈছে। একেদৰে ৫ হাজাৰ ৭৭৩টা দুৰ্ঘটনাপ্ৰৱণ এলেকাৰ দীৰ্ঘম্যাদী সংস্কাৰ কৰা হৈছে। অসমত ৯৫টা এনে দুৰ্ঘটনাপ্ৰৱণ এলেকা চিনাক্ত কৰা হৈছে।

০০০০০০

ৰাজ্য চৰকাৰে পৰৱৰ্তী বৰ্ষত কৃষকৰ পৰা ১০ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মৰাণত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে ধান ক্ৰয়ৰ পৰিমাণ প্ৰতিবছৰ বৃদ্ধি কৰি গৈছে। বিগত বৰ্ষত ৰাজ্য চৰকাৰে কৃষকৰ পৰা প্ৰায় ৮ লাখ ৫০ হাজাৰ মেট্ৰিকটন ধান ক্ৰয় কৰিছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে চলিত বৰ্ষত কৃষকৰ সহায় হোৱাকৈ প্ৰতি কুইণ্টল ধান আৰু সৰিয়হৰ বাবে ন্যূনতম সমৰ্থন মূল্যতকৈ অতিৰিক্ত আৰ্থিক বোনাচ প্ৰদান কৰাৰ কথা ঘোষণা কৰিছে। মন্ত্ৰীসভাৰ বৈঠকত প্ৰতি কুইণ্টল ধানৰ বাবে ২৫০ টকা প্ৰতি কুইণ্টল সৰিয়হৰ বিপৰীতে ৫০০ টকাকৈ বোনাচ প্ৰদান কৰা সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। ৰাজ্যিক কেবিনেটৰ এই সিদ্ধান্তৰ ফলত প্ৰতি কুইণ্টল ধানত কৃষকে ২ হাজাৰ ৫৫০ টকা আৰু প্ৰতি কুইণ্টল সৰিয়হত ৬ হাজাৰ ৪৫০ টকাকৈ লাভ কৰিব।

০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অহা ২০ ডিচেম্বৰত অসমলৈ আহিবলগীয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যখনৰ কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশ ল'ব। প্ৰধানমন্ত্ৰী মোদীয়ে ২১ ডিচেম্বৰত জাতীয় জীৱন সংগ্ৰামৰ অমৰ ছহিদসকলৰ স্মৃতিত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰিব। তেওঁ লগতে অসম আন্দোলনত প্ৰাণ আহুতি দিয়া ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰিব। প্ৰধানমন্ত্ৰীৰ আগমনৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সন্ধিয়া বৰাগাঁৱত উপস্থিত হৈ যাৱতীয় প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। তেওঁ লগতে এই অনুষ্ঠান সাফল্যমণ্ডিত কৰাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক যাৱতীয় নিৰ্দেশ প্ৰদান কৰে। ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত এনেদৰে কয়–

**বাইট (চি এম)**

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২১ ডিচেম্বৰত গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ ২৫-৩০ গৰাকী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** অৰ্থাৎ পৰীক্ষা সম্পৰ্কীয় বিষয় লৈ আলোচনা কৰিব। এই অনুষ্ঠানৰ বাবে ৰাজ্যৰ বিভিন্ন স্থানৰ কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক বাছনি কৰা হৈছে। এই কাৰ্যসূচীৰ বাবে নলবাৰীৰ গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী দৃষ্টি গোস্বামীয়েও বাছনি লাভ কৰিছে। ছাত্ৰীগৰাকীয়ে এই সন্দৰ্ভত এইদৰে মনৰ ভাৱ প্ৰকাশ কৰে।

বাইট

এই কাৰ্যসূচীৰ বাবে উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলৰ ছাত্ৰী অৰ্পিতা দাসেও বাছনি লাভ কৰিছে। উল্লেখযোগ্য যে পূৰ্বে দলগত শিতানত দুবাৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা লাভ কৰা কৃতি শিক্ষাৰ্থীগৰাকীয়ে প্ৰধানমন্ত্ৰীক সুধিবৰ বাবে ইতিমধ্যে প্ৰশ্ন সাজু কৰা বুলি প্ৰকাশ কৰিছে।

০০০০০০

ৰাজ্য চৰকাৰে ৰাজ্যৰ কেইবাখনো জিলাত গাহৰি বিক্ৰীৰ ক্ষেত্ৰত আৰোপ কৰা নিষেধাজ্ঞা বাতিলৰ বাবে আজি সিদ্ধান্ত লোৱাৰ সম্ভাৱনা আছে। শেহতীয়াকৈ নিষেধাজ্ঞা বলৱৎ হৈ থকা ৭ খন জিলাত গাহৰিৰ দেহত আফ্ৰিকান ছোৱাইন ফিভাৰৰ লক্ষণ চিনাক্ত নোহোৱাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে এই সিদ্ধান্ত গ্ৰহণৰ কথা বিবেচনা কৰিছে বুলি পশুপালন মন্ত্ৰী কৃষ্ণেন্দু পালে প্ৰকাশ কৰে। কালি ধেমাজিত এখন পৰ্যালোচনা বৈঠকত অংশ লোৱাৰ পাছত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে উল্লেখ কৰি কয়, যে আফ্ৰিকান ছোৱাইন ফিভাৰৰ শেহতীয়া পৰিস্থিতি বুজ লোৱাৰ উদ্দেশ্যে মন্ত্ৰীগৰাকীয়ে পশুপালন আৰু পশু চিকিৎসা বিভাগৰ বিষয়া তথা চিকিৎসকসকলৰ সৈতে আলোচনা কৰিছে। ক্ষতিগ্ৰস্ত গাহৰি পালকসকলক পৰ্যায়ক্ৰমে ক্ষতিপূৰণ দিব বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

বাইট

মন্ত্ৰীগৰাকীয়ে কয়, যে গাহৰি পালকসকলক ক্ষতিপূৰণৰ ৫০ শতাংশ কেন্দ্ৰীয় চৰকাৰে আৰু ৫০ শতাংশ ৰাজ্য চৰকাৰে বেংক একাউণ্টৰ জৰিয়তে প্ৰদান কৰিব। ইয়াৰ ফলত গাহৰিপালকসকলে সকাহ লাভ কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

ডাঃ অমিতাভ চৌধুৰী স্মাৰক ন্যাসৰ উদ্যোগত কাইলৈ গুৱাহাটীৰ মাছখোৱা আই টি এ কেন্দ্ৰত দ্বাবিংশতিতম ডাঃ অমিতাভ চৌধুৰী স্মাৰক বক্তৃতাৰ আয়োজন কৰা হৈছে। বিয়লি পাঁচ বজাত হ'বলগীয়া এই অনুষ্ঠানত দিল্লীৰ অল ইণ্ডিয়া ইনষ্টিটিউট অব্ মেডিকেল চায়েন্স চমুকৈ এইমচৰ প্ৰাক্তন অধ্যাপক তথা বিভাগীয় মুৰব্বী পদ্মশ্ৰী ডাঃ ৰণদীপ গুলেৰিয়াই 'চিকিৎসা বিজ্ঞান আৰু কলাৰ ক্ষেত্ৰত ধাৰণা পৰিৱৰ্তন' বিষয়ত বক্তৃতা দিব। উল্লেখযোগ্য যে পথ দুৰ্ঘটনাত মৃত্যু হোৱা হৃদ আৰু শৈল চিকিৎসা বিশেষজ্ঞ ডাঃ অমিতাভ চৌধুৰীৰ স্মৃতিত তেওঁৰ পৰিয়ালে প্ৰতি বছৰে এই বক্তৃতানুষ্ঠানৰ আয়োজন কৰি আহিছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ নতুন ১২৫ দিনীয়া নিয়োগ নিশ্চিত আঁচনি সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক নৰেশ কলিতা আৰু অসম ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ড° দেৱজিৎ মহন্তই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ পৰিকল্পনা বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

ডাঃ অমিতাভ চৌধুৰী স্মাৰক ন্যাসৰ উদ্যোগত কাইলৈ গুৱাহাটীৰ মাছখোৱা আই টি এ কেন্দ্ৰত দ্বাবিংশতিতম ডাঃ অমিতাভ চৌধুৰী স্মাৰক বক্তৃতাৰ আয়োজন কৰা হৈছে। বিয়লি পাঁচ বজাত হ'বলগীয়া এই অনুষ্ঠানত দিল্লীৰ অল ইণ্ডিয়া ইনষ্টিটিউট অব্ মেডিকেল চায়েন্স চমুকৈ এইমচৰ প্ৰাক্তন অধ্যাপক তথা বিভাগীয় মুৰব্বী পদ্মশ্ৰী ডাঃ

ৰণদীপ গুলেৰিয়াই ‘চিকিৎসা বিজ্ঞান আৰু কলাৰ ক্ষেত্ৰত ধাৰণা পৰিৱৰ্তন’ বিষয়ত বক্তৃতা দিব। উল্লেখযোগ্য যে পথ দুৰ্ঘটনাত মৃত্যু হোৱা হৃদ আৰু শৈল চিকিৎসা বিশেষজ্ঞ ডাঃ অমিতাভ চৌধুৰীৰ স্মৃতিত তেওঁৰ পৰিয়ালে প্ৰতি বছৰে এই বক্তৃতানুষ্ঠানৰ আয়োজন কৰি আহিছে।

oooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ যোৱানিশা লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত অনুষ্ঠিত চতুৰ্থখন খেল ঘন কুঁৱলীৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়। বহুবাৰ পৰ্যবেক্ষণৰ পিছত অৱশেষত আম্পায়াৰে খেলখন পৰিত্যক্ত ঘোষণা কৰিবলগীয়া হয়। ইয়াৰ ফলত শৃংখলাত ভাৰতে পূৰ্বৰ দৰে ২-১ত আগবাঢ়ি আছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল কাইলৈ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ’ব।

oooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত দাখিল হোৱা অভিযোগনামা আদালতত দাখিল কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিয়া বাতৰিটোক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

দেশত পথ দুৰ্ঘটনাত মৃত্যুৰ হাৰ তুলনামূলকভাৱে হ্ৰাস পাইছে যদিও অসমত যোৱা ৫ বছৰত বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ৰাজ্যসভাত কালি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে সদনত দিয়া তথ্যৰ এটা বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

দেশৰ বীমা খণ্ডৰ বৃহৎ সংস্কাৰৰ লক্ষ্যৰে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কালি লোকসভাত উত্থাপন কৰা **সবকা বীমা সবকা ৰক্ষা বিধেয়ক ২০২৫**য়ে বিদেশী বিনিয়োগ আৰু দেশী বীমা কোম্পানীবোৰৰ কাৰ্যক্ষমতা বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। এই বাতৰিটো **দি আছাম ট্ৰিবিউন** আৰু **দা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দুদিনীয়া ভ্ৰমণসূচীৰে অহা ২০ ডিচেম্বৰত অসমলৈ আহিবলগীয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যখনত কেইবাটাও কাৰ্যসূচীত অংশ ল’ব। এই বাতৰিটো **দৈনিক অসম** আৰু **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অৰুণাচল প্ৰদেশৰ আনজাওত সংঘটিত পথ দুৰ্ঘটনাত নিহত তিনিচুকীয়া জিলাৰ গেলাপুখুৰীৰ শ্ৰমিকসকলৰ পৰিয়ালক কালি সাক্ষাৎ কৰি ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ৫ লাখ টকাৰ এককালীন সাহায্য আগবঢ়োৱা বাতৰিটো **দৈনিক অগ্ৰদূত, আমাৰ অসম** আৰু **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

oooooo

অসমৰ চাহ শ্ৰমিকক কাম কৰিবলৈ অৰুণাচললৈ লৈ যোৱাটো চিন্তনীয় বিষয় বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মন্তব্য কৰিছে। শ্ৰমিকসকলক কোনোধৰণৰ অনুমতি নোহোৱাকৈ এনেদৰে লৈ যোৱা তথা সামাজিক নিৰাপত্তা নথকা ব্যৱস্থাটো কোনো কাৰণতে গ্ৰহণযোগ্য নহয় বুলিও তেওঁ উল্লেখ কৰিছে। চাহ বাগানৰ পৰা মানৱ সৰবৰাহ কৰাৰ অভিযোগৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয়, যে যেতিয়া ঘৰৰ যুৱকজন ক’লৈ গৈছে সেয়া পৰিয়ালৰ লোকে জ্ঞাত হয়, তেতিয়া তাক মানৱ সৰবৰাহৰ দৃষ্টিৰে চাব পৰা নাযায়। কোনোবাই প্ৰলোভন দিলেহে মানৱ সৰবৰাহ বুলি গণ্য কৰা হয়। অসমত ঔদ্যোগীকৰণৰ পৰিৱেশ সৃষ্টি হ’লেহে এই সমস্যাৰ অন্ত পৰিব আৰু চাহ শ্ৰমিকৰ সুৰক্ষাৰ বাবে ৰাজ্য চৰকাৰে শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিব বুলিও তেওঁ কয়।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। অৱশ্যে পাছলৈ বতৰ ফৰকাল হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মণিপুৰ, মিজোৰাম আৰু মেঘালয়ক ডাঠ কুঁৱলীয়ে আৱৰি ৰখাৰ লগতে অৰুণাচল প্ৰদেশ, নাগালেণ্ড, ত্ৰিপুৰাত বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**